No. of Printed Pages—2

84 (PPA3)

[17–HDGKACRM–M3]

MA 3rd Semester Exam., 2017

ASSAMESE

[MAS(S3)–11(Lan)]

[পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'গাহাসত্তসঈ'ৰ চমু পৰিচয় আগবঢ়াওক।

(b) 'কীৰ্তিলতা'ৰ ৰচক কোন? তেওঁৰ চমু পৰিচয় আগবঢ়াওক।

(c) আধুনিক ভাষাবিজ্ঞানে সন্ধিক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি?

(d) সংস্কৃত ভাষাত সন্ধিৰ অৰ্থ কি?

(e) সংস্কৃতৰ কাৰকৰ পৰিচয় দিয়ক।

(f) কাল আৰু ভাব অনুসৰি সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা তিঙ্ বিভক্তিসমূহৰ প্ৰয়োগৰ চমু উল্লেখ কৰক।

2. তলৰ যি কোনো **তিনিছোৱা** সৰল অসমীয়ালৈ অনুবাদ কৰক আৰু লগতে তলত আঁচ টনা যি কোনো **তিনিটা** শব্দৰ সংস্কৃত ৰূপ আৰু অসমীয়া অৰ্থ লিখক : 4×3=12

(a) অমিঅং পাউঅ কব্বং পঢ়িউং সোউং অ জে ণ জাণন্তি।
কামস্স তত্ততন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।

(b) নাগৰক : সূঅঅ, ইধ গোউৰদুআৰে অপ্পমত্তা পডিবালেধ মং যাৱ ৰাঅউলং পৱিসিঅ ণিক্কমামি।

উভৌ : পৱিশদু লাউত্তে শামিপ্পশাদন্তং।

নাগৰক : তধা (ইতি নিষ্ক্রান্তঃ)।

(c) তং জি পহিঅ পিক্খেৱিণু পিঅউক্কং খিৱিয়,
মংথৰগয় সৰলাইবি উত্তাৱলি চলিয়।
বহ মণহৰ চল্লংতিয় চংচলৰমণভৱি,
ছুড়ৱি খিসিয় ৰসণাৱলি কিংকিণিৰৱ পসৰি।

(d) পডি উট্ঠিয় সবিলক্খ সপজ্জিৰ সংঝসিয়।
তং সিয় সচ্চ ণিয়ংসণ মুদ্ধহ বিৱলসিয়॥
তং সবৰি অশুসৱিয় পহিয় পাৱয়ণমণ।
ফুডৱি ণিত্ত কুপ্পাস ৱিলগ্গিয় দৰ সিহণ॥

3. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) পালিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক।

(b) পালি-প্রাকৃত-অপভ্রংশত স্বৰৰ গুণ-বৃদ্ধি-সম্প্রসাৰণৰ বিষয়ে লিখক।

(c) সংস্কৃত ব্যাকৰণত লিঙ্গ—এই বিষয়ে এটি টোকা প্রস্তুত কৰক।

(d) সংস্কৃতত 'গণ'-বিভাজনৰ মূল ভিত্তি কি, সেই বিষয়ে আলোচনা কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ধম্মপদৰ নামকৰণ, ৰচনাকাল আৰু বিষয়বস্তু সম্পর্কে আলোচনা আগবঢ়াওক।

(b) মধ্য-ভাৰতীয় আর্যভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি সেই বিষয়ে আলোচনা কৰক।

(c) সংস্কৃত ভাষাৰ স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণৰ বিষয়ে এটি সম্যক আলোচনা আগবঢ়াওক।

(d) পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(e) সংস্কৃতৰ মুখ্য ধাতুবোৰৰ সৈতে পালি-প্রাকৃতৰ মুখ্য ধাতুৰ তুলনা কৰি দেখুৱাওক।

★★★